জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৩/২০২১

# শিৱ থাপাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে ফাইনেল খেলত সফলতা অৰ্জনৰে অসম আৰু ভাৰতক গৌৰৱান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীৰ আশা প্ৰকাশ

**দিছপুৰ, ২৯ মে' ঃ** ডুবাইত অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপৰ ৬৪ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ কৰা শিৱ থাপাৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি টেলিফোনযোগে বাৰ্তালাপ কৰি তেখেতে লাভ কৰা সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এই চেম্পিয়নশ্বিপৰ ফাইনেল খেলৰ বাবে বক্সাৰ গৰাকীয়ে চলোৱা প্ৰস্তুতিৰো বুজ লয়। বক্সাৰ গৰাকীয়ে ফাইনেল খেলতো সফলতা অৰ্জন কৰি অসম তথা ভাৰতক গৌৰাৱান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৯/০৫/২০২১**